**ৰাছিয়াৰ সেনাবাহিনীত নিযুক্তি পোৱা ভাৰতীয়সকলৰ ওপৰত সংবাদ মাধ্যমৰ প্ৰশ্নৰ উত্তৰ চৰকাৰী মুখপাত্ৰৰ**

ছেপ্টেম্বৰ 11, 2025

ৰাছিয়াৰ সেনাবাহিনীত নিযুক্তি পোৱা ভাৰতীয়সকলৰ সন্দৰ্ভত সংবাদ মাধ্যমে সোধা প্ৰশ্নৰ উত্তৰত চৰকাৰী মুখপাত্ৰ শ্ৰী ৰণধীৰ জয়ছোৱালে এইদৰে কয়:

শেহতীয়াকৈ ভাৰতীয় নাগৰিকক ৰাছিয়াৰ সেনাবাহিনীত নিযুক্তি দিয়াৰ খবৰ আমি দেখিবলৈ পাইছো। চৰকাৰে বিগত এবছৰ ধৰি কেইবাবাৰো এই কাৰ্যপন্থাৰ অন্তৰ্নিহিত বিপদ আৰু ক্ষতিৰ ওপৰত আলোকপাত কৰি ভাৰতীয় নাগৰিকসকলক সেই অনুসৰি সতৰ্ক কৰি দিছে। আমি এই বিষয়টো দিল্লী আৰু মস্কো উভয়তে ৰাছিয়াৰ কৰ্তৃপক্ষৰ সৈতেও আলোচনা কৰিছো আৰু এই প্ৰথা বন্ধ কৰি আমাৰ নাগৰিকসকলক মুকলি কৰি দিবলৈ অনুৰোধ জনাইছো। ক্ষতিগ্ৰস্ত ভাৰতীয় নাগৰিকৰ পৰিয়ালৰ সৈতেও আমি যোগাযোগ স্থাপন কৰিছো।

আমি পুনৰবাৰ সকলো ভাৰতীয় নাগৰিকক আহ্বান জনাইছো যে ৰাছিয়াৰ সেনাবাহিনীত যোগদানৰ যিকোনো প্ৰস্তাৱৰ পৰা আঁতৰি থাকিব লাগে কাৰণ এই পথ বিপদেৰে ভৰা।

নতুন দিল্লী
ছেপ্টেম্বৰ 11, 2025